# ভাৰতৰ উচ্চতম ন্যায়ালয়

শংকলচান্দ জয়চন্দভাই পেটেল আৰু অ.আৰ

বনাম

বিথলভাই জয়চান্দভাই পেটেল আৰু অন্যান্য।

১৯৯৬ চনৰ ১৩ ছেপ্টেম্বৰ

[কে. ৰামাস্বামী আৰু জি.বি. পট্টানায়ক, ন্যায়াধীশ

বম্বে ৰাজহ অধিকাৰক্ষেত্ৰ আইন :

ধাৰা ১১ –এটা দেৱানী গোচৰ হাতত ল'বলৈ- সিদ্ধান্ত লোৱা হ'ল কোনো ৰাজহ বিষয়াৰ কোনো কাৰ্য্য বা হেমাহিৰ বিষয় লৈ চৰকাৰৰ বিৰুদ্ধে যিকোনো মামলা গ্ৰহণ কৰাত দেৱানী আদালতৰ ওপৰত নিষেধাজ্ঞা থাকিব – কিন্তু ব্যক্তিগত পক্ষই চি পি চিৰ অধীনত কোনো প্ৰতিকাৰৰ সুবিধা ল'ব পাৰিব-দেৱানী মামলা ৰক্ষণাবেক্ষণযোগ্য-দেৱানী প্ৰক্ৰিয়া সংহিতা-ধাৰা ৯।

দেৱানী আবেদনৰ গোচৰ সংখ্যা ১২৮০৮-০৯/১৯৯৬

গুজৰাট উচ্চ ন্যায়ালয়ৰ ৩০.৬.৯৫ তাৰিখৰ এম.চি.এ. ১৯৯৫ চনৰ ৬৫৬ সংখ্যক ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ যশংক আধাৰ্য, ব্ৰজ কে মিশ্ৰ আৰু এজাজ মকবুল।

আদালতে তলত উল্লেখ কৰা আদেশ প্ৰদান কৰে:

অনুমতি প্ৰদান কৰা হ'ল।

বিশেষ অনুমতি আবেদনৰ দ্বাৰা অনুমোদিত এই আপীলসমূহে ১৯৯৫ চনৰ ২৩ মাৰ্চত ৪০/৯৫ নং আদেশত আৰু ১৯৯৫ চনৰ ৩০ জুনত এমচিএ নং ৬৫৬/৯৫ত জাৰি কৰা গুজৰাট উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠৰ আদেশক প্ৰত্যাহ্বান জনাইছে।

তথ্যৰ ওপৰত কোনো বিতৰ্ক নাই। আপীলকাৰী আৰু প্ৰতিবাদীয়ে যৌথভাৱে বিবাদিত সম্পত্তি ক্ৰয় কৰিছিল বুলি স্বীকাৰ কৰিছে৷ যৌথ মালিক হিচাপে তেওঁলোকৰ মাজত ১৯৮২ চনৰ ২০ মাৰ্চত ভাগ-বতৰা হয়। তাৰ পিছত ১৯৮২ চনৰ ২১ জুলাইত ৰাজহৰ তথ্য আপডেট কৰা হয়, যাতে আপীলকাৰীৰ অংশ প্ৰতিফলিত হয়। পিছত আপীলকাৰীয়ে দাবী কৰে যে তেওঁ ১৯৮৬ চনৰ ২৪ জুলাইত নিজৰ সন্তানৰ মাজত নিজৰ অংশৰ পুনৰ ভাগ-বতৰা কৰিছিল৷

আপীলকাৰীয়ে দাবী কৰে যে প্ৰতিবাদীয়ে বম্বে ৰাজহ ন্যায়িক অধিকাৰ আইনৰ ধাৰা ১১ৰ অধীনত আপীল দাখিল কৰিছিল, যিটো আপীল আদালতে ১৯৯৪ চনৰ ৯ মাৰ্চত খাৰিজ কৰিছিল। আইনৰ অধীনত উপলব্ধ পুনৰীক্ষণৰ অধিক অধিকাৰ লাভ কৰাৰ পৰিৱৰ্তে প্ৰতিবাদীয়ে স্বত্ব ঘোষণা আৰু চিৰস্থায়ী নিষেধাজ্ঞা বিচাৰি দেৱানী মামলা দাখিল কৰে। বিচাৰ আদালতে প্ৰথমতে নিষেধাজ্ঞা অস্বীকাৰ কৰিছিল, কিন্তু আপীলত জিলা ন্যায়াধীশে ইয়াক মঞ্জুৰ কৰি মামলা চলি থকাৰ সময়ত আপীলকাৰীক সম্পত্তি পৃথক কৰাত বাধা দিয়ে। পিছত উচ্চ ন্যায়ালয়ে পুনৰীক্ষণ আৰু পৰ্যালোচনা আবেদন খাৰিজ কৰে। ফলত এই আবেদনসমূহ বিশেষ অনুমতিৰ জৰিয়তে দাখিল কৰা হৈছে।

আপীলকাৰীৰ বিদ্বান অধিবক্তা যশাংক আধাৰ্য্যু ডাঙৰীয়াই উপস্থাপন কৰা মূল যুক্তিটো হ'ল যে ১১ নং ধাৰাত মামলা গ্ৰহণ কৰাত বাধা আৰোপ কৰা হৈছে। সেয়েহে উচ্চ ন্যায়ালয়ে মামলাটো ৰক্ষণাবেক্ষণযোগ্য হয় নে নহয় সেইটো নিৰ্ণয় নকৰাকৈয়ে আপীলকাৰীক সম্পত্তি পৃথক কৰাত বাধা দিয়াত ভুল কৰিছিল। ইয়াৰ সমৰ্থনত তেওঁ ৰুক্মণীবাই বনাম গুজৰাট চৰকাৰ (১৯৬০) ১ জি এল আৰ ১৭৯১ গোচৰত গুজৰাট উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰুপীঠৰ ৰায়দানৰ ওপৰত বহুলাংশে ভিত্তি কৰিছিল। মূল বিষয়টো হ'ল ১১ নং ধাৰাই মামলাৰ ৰক্ষণাবেক্ষণযোগ্যতাক বাধা দিয়ে নেকি? কিন্তু বম্বে ভূমি ৰাজহ সংহিতাৰ ৩৭ নং ধাৰাত থকা নিষেধাজ্ঞা কেৱল ৰাজ্যৰ নিহিত বা ৰাজ্যৰ অন্তৰ্গত ভূমিৰ ক্ষেত্ৰতহে প্ৰযোজ্য। যিহেতু এই গোচৰটো ব্যক্তিগত পক্ষৰ মাজত দাবীৰ সৈতে জড়িত, গতিকে ৩৭ নং ধাৰাটো প্ৰাসংগিক নহয়।

বম্বে ৰাজহ ন্যায়িক অধিকাৰ আইনৰ ১১ নং ধাৰাত উল্লেখ আছে যে ৰাজহ বিষয়াৰ কোনো কাৰ্য বা হেমাহিৰ বাবে দেৱানী আদালতে চৰকাৰৰ বিৰুদ্ধে মামলা গ্ৰহণ কৰিব

নোৱাৰে, যদিহে বাদীয়ে প্ৰমাণ নকৰে যে তেওঁলোকে সীমাবদ্ধতাৰ সময়সীমাৰ ভিতৰত আইনে অনুমতি দিয়া সকলো উপলব্ধ আপীল শেষ কৰি পেলাইছে।

ধাৰা ১১ৰ ওপৰত সাধাৰণভাৱে দৃষ্টি নিক্ষেপ কৰিলেই এই কথা স্পষ্ট হৈ পৰে যে ৰাজহ বিষয়াৰ কোনো কাৰ্য্য বা হেমাহিৰ বাবে চৰকাৰৰ বিৰুদ্ধে দেৱানী আদালতে মামলা গ্ৰহণ কৰিব নোৱাৰে, যদিহে বাদীয়ে প্ৰথমে নিৰ্দিষ্ট সময়ৰ ভিতৰত উপলব্ধ আপীল প্ৰক্ৰিয়া শেষ নকৰে। এই প্ৰতিকাৰৰ সুবিধা নোলোৱাকৈ ৰাজ্যৰ বিৰুদ্ধে মামলা দাখিল কৰিব নোৱাৰি। মূল প্ৰশ্নটো হ'ল যে ব্যক্তিগত পক্ষৰ মাজত হোৱা বিবাদৰ ক্ষেত্ৰত ধাৰা ১১ প্ৰযোজ্য নেকি? বিদ্বান এজনীয়া বিচাৰপীঠে ধাৰা ১১ৰ অৰ্থ ব্যাখ্যা কৰিছিল যে যেতিয়ালৈকে বাদীয়ে ৰাজহ বিষয়াৰ আদেশৰ বিৰুদ্ধে সকলো আপীল বা পুনৰীক্ষণ প্ৰতিকাৰ শেষ নকৰে তেতিয়ালৈকে ব্যক্তিগত পক্ষৰ মাজত মামলা কৰাটো নিষেধ কৰা হৈছে। কিন্তু ধাৰা ১১ত ব্যক্তিগত পক্ষক দেৱানী প্ৰক্ৰিয়া সংহিতা (চিপিচি)ৰ অধীনত মামলা দাখিল কৰাত স্পষ্টভাৱে বাধা দিয়া হোৱা নাই। তদুপৰি, চিপিচিৰ ধাৰা ৯য়ে স্পষ্টভাৱে বা বুজাবুজিভাৱে দেৱানী আদালতক মালিকীস্বত্বৰ ওপৰত ভিত্তি কৰি মামলা দাখিল কৰাত বাধা নিদিয়ে।

এই কথা সুপ্ৰতিষ্ঠিত যে নামজাৰিত উল্লেখ কৰা তথ্যসমূহে কেৱল সম্পত্তিৰ দখল আৰু উপভোগ কৰাসকলৰ পৰা ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ সুবিধাৰ কথাহে প্ৰকাশ কৰে। ই সম্পত্তিৰ মালিকীস্বত্ব, উপাধি বা স্বত্ব প্ৰদান নকৰে বা প্ৰতিষ্ঠা নকৰে, যিটো এই তথ্যসমূহৰ পৰা পৃথককৈ নিৰ্ধাৰণ কৰিব লাগিব। নামজাৰিৰ তথ্য কেৱল দখল সম্পৰ্কীয় সাক্ষ্যহে, ই আইনী অধিকাৰ নুবুজায়। সেয়েহে, বিদ্বান এজনীয়া বিচাৰপীঠে গ্ৰহণ কৰা মতামত আইনগতভাৱে অশুদ্ধ। দেৱানী মামলাটো স্পষ্টভাৱে বজাই ৰাখিব পাৰি, আৰু উচ্চ ন্যায়ালয়ে আপীলকাৰীসকলে মাটিখিনি বিচ্ছিন্ন কৰাত বাধা দিবলৈ নিষেধাজ্ঞা প্ৰদান কৰাটো ন্যায়সঙ্গত। ইয়াৰ উপৰিও, সম্পত্তি হস্তান্তৰ আইনৰ ধাৰা ৫২-ৰ অধীনত লিছ পেণ্ডেন্সৰ নীতি প্ৰযোজ্য, অৰ্থাৎ মাটিৰ যিকোনো হস্তান্তৰ স্থগিত পুনৰীক্ষণৰ ফলাফলৰ অধীনত হ'ব।

এনে পৰিস্থিতিত আমি উচ্চ ন্যায়ালয়ৰ আদেশত কোনো ধৰণৰ অবৈধতা বিচাৰি পোৱা নাই যাৰ ফলত হস্তক্ষেপৰ প্ৰয়োজনীয়তা আহি পৰে। সেই অনুসৰি আপীল খাৰিজ কৰা হয়। কোনো ব্যয় নাই। আপীল খাৰিজ কৰা হয়।

**অনুবাদঃ দিতিমণি গগৈ, স্পেচিয়েল অফিচাৰ, অনুবাদ শাখা**

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"*